# তৃতীয় অধ্যায়
# শিক্ষা আৰু মানসিক স্বাস্থ্য
# (Education and Mental Health)

- সুস্থ মানসিক স্বাস্থ্যৰ নীতি (Principles of Sound mental health)
- মানসিক স্বাস্থ্য প্ৰভাৱিত কৰা কাৰকবোৰ (Factors affecting mental health)
- মানসিক স্বাস্থ্যৰ বিপদসংকুলতা (Mental health Hazards)
- ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য (Mental health of Students)
  - ☞ ঘৰৰ ভূমিকা (Role of Home)
  - ☞ বিদ্যালয়ৰ ভূমিকা (Role of School)
  - ☞ সমাজৰ ভূমিকা (Role of Society)
- শিক্ষকৰ মানসিক স্বাস্থ্য (Mental health of Teachers)

## প্ৰস্তাৱনা (Introduction) :

শৰীৰৰ স্বাস্থ্য থকাৰ দৰে মনৰো স্বাস্থ্য থাকে। দেহৰ বাহ্যিক আৰু অভ্যন্তৰৰ বিভিন্ন অংগ-প্ৰত্যংগ, যন্ত্ৰই যদি ঠিকমতে কাম নকৰে তেন্তে দেহৰ স্বাস্থ্য বিপন্ন হয়। মনৰো ঠিক তেনেকুৱাই হয়। মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া সুচাৰুৰূপে নচলিলে মনৰ স্বাস্থ্য ব্যাহত হয়। জন্মগতভাৱে লাভ কৰা শক্তি-সামৰ্থ্যক উপযুক্ত ৰূপত বিকশিত কৰি কোনো সংঘৰ্ষ আৰু অপসংগতিৰ সৃষ্টি নকৰাকৈ এক সুস্থ, আনন্দময় আৰু কাৰ্যকৰী জীৱনৰ বাবে ব্যক্তিক গঢ়ি তুলিবলৈ মানসিক স্বাস্থ্যৰ সুস্থতাৰ অতিকৈ প্ৰয়োজন।

শিক্ষাৰ লগত মানসিক স্বাস্থ্যৰ গভীৰ সম্পৰ্ক আছে। কিয়নো মানসিক স্বাস্থ্য বুলিলে ব্যক্তিৰ দেহ-মনৰ সেই অৱস্থাটোকে বুজোৱা হয় যাৰদ্বাৰা ব্যক্তিয়ে পৰিৱেশৰ বিভিন্ন শক্তিৰ লগত সংগতি বিধান কৰি চলিব পাৰে আৰু কোনো সমস্যাৰ সন্মুখীন হ'লে তাক সহজে সমাধান কৰিব পাৰে। শিক্ষাৰ উদ্দেশ্যও ইয়াৰপৰা পৃথক নহয়। মুঠতে ব্যক্তিত্বৰ সুষম বিকাশেই হ'ল দুয়োটা বিষয়ৰে প্ৰধান উদ্দেশ্য।

বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু অন্যান্য শৈক্ষিক কাৰ্যসূচীক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীৰ মনত নানা জটিলতাৰ সৃষ্টি হৈ মানসিক স্বাস্থ্য প্ৰভাৱিত হয়। সেয়েহে আধুনিক মনোবিজ্ঞানীসকলে শিক্ষাৰ লগত মানসিক স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞান সম্পৰ্কে অধ্যয়ন কৰাটো অপৰিহাৰ্য বুলি বিবেচনা কৰিছে।

## সুস্থ মানসিক স্বাস্থ্যৰ নীতি (Principle of Sound Mental Health) :

শাৰীৰিক স্বাস্থ্যৰ নীতিসমূহ মানি চলি সুস্থ শাৰীৰিক স্বাস্থ্যৰ অধিকাৰী যিদৰে হ'ব পাৰি ঠিক সেইদৰে মানসিক স্বাস্থ্যৰ নীতিসমূহ আহৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সুস্থ মানসিক স্বাস্থ্যৰ অধিকাৰী কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। এইটো এটা সৰ্বসন্মত সত্য কথা যে, এজন ব্যক্তিয়ে তেওঁৰ স্বাচ্ছন্দ্যৰ লগে লগে পৰিৱেশৰ লগত হোৱা যথেষ্ট পৰিমাণৰ সন্তুষ্টিৰ ওপৰতে ভিত্তি কৰি মানসিক স্বাস্থ্য উপভোগ কৰে। ফলস্বৰূপে, মানসিক স্বাস্থ্যৰ নীতিসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সেই নীতি দুটা হ'ল—

(ক) নিজৰ লগত কৰা সমাযোজন নীতি।

(খ) পৰিৱেশৰ লগত কৰা সমাযোজন নীতি।

এই দুই প্ৰকাৰৰ নীতিৰ অন্তৰ্গত নীতিসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

### (ক) নিজৰ লগত কৰা সমাযোজনৰ নীতি (The Principles of Knowing the Self) :

যিসকলে নিজেই নিজৰ লগত সামঞ্জস্য ৰক্ষা কৰি চলিব পাৰে তেওঁলোকৰ মানসিক স্বাস্থ্য নিশ্চিতভাৱে সুস্থ হয়। তলত উল্লিখিত নীতিকেইটা এই ক্ষেত্ৰত গ্ৰহণযোগ্য —

**(i) নিজৰ বিষয়ে জনাৰ নীতি (The Principles of knowing the self) :** ব্যক্তিয়ে নিজৰ শক্তি আৰু সীমাবদ্ধতাৰ বিষয়ে সচেতন হৈ সেই অনুসৰি নিজৰ আচৰণ গঢ় দিব লাগে আৰু জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিলে মানসিক সুস্থ হ'ব।

**(ii) নিজৰ স্বীকৃতিৰ নীতি (Principles of accepting one's self) :** যিজনে নিজৰ আকৃতি আৰু অস্তিত্বক স্বীকাৰ কৰে আৰু শ্ৰদ্ধা কৰে তেওঁ মানসিক স্বাস্থ্য উপভোগ কৰিব পাৰে। যিসকলে সদায় অসন্তুষ্টি বা তেওঁৰ জীৱনৰ পৰিস্থিতি সম্পৰ্কে অভিযোগ কৰে বা আনক তেওঁৰ দুৰ্ভাগ্যৰ বাবে দোষাৰোপ কৰে তেওঁ সুস্থ মানসিক স্বাস্থ্য লাভ কৰিব বুলি আশা কৰিব নোৱাৰি। গতিকে নিজৰ স্বীকৃতি দিব পাৰিলেহে মানসিক স্বাস্থ্য সুস্থ ৰূপত গঢ় ল'ব।

**(iii) আকাংক্ষাৰ মাত্ৰা ভাৰসাম্যৰ নীতি (Principles balancing the level of aspirations):** কোনো ব্যক্তিৰ আকাংক্ষাৰ মাত্ৰা আৰু কৃতিত্ব অনুপ্ৰেৰণা মাত্ৰা খুব বেছি বা কম হোৱাটো উচিত নহয়। নিজৰ সামৰ্থ্য আৰু সুযোগৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ মাজত এটা সঠিক মাত্ৰা ৰাখি আগবাঢ়িব লাগে। এনে কৰিলে অনাৱশ্যকীয় হতাশা আৰু অকৃতকাৰ্যতাৰ পৰা আঁতৰি থাকিব পাৰিব আৰু মানসিক স্বাস্থ্য অক্ষুণ্ণ ৰাখিব।

**(iv) নিজস্ব বিকাশৰ ভাৰসাম্য ৰক্ষাৰ নীতি (Principles of balancing one's development):** ব্যক্তিৰ সুস্থ-সুষম ব্যক্তিত্বৰ বিকাশৰ বাবেই মানসিক স্বাস্থ্য স্বাস্থ্যকৰ হৈ উঠে। সেই অনুসৰি শাৰীৰিক, মানসিক, সংবেদনশীল, সামাজিক, নৈতিক, নান্দনিক আদি ব্যক্তিত্বৰ সকলো দিশৰ সুষম বিকাশৰ বাবে চেষ্টা কৰা উচিত।

**(v) নিজস্ব সংহতি স্থাপনৰ নীতি (Principles of integrating the self):** প্ৰত্যেক ব্যক্তিয়ে নিজকে বিভক্ত ব্যক্তিত্বৰ স্বৰূপ হিচাপে নহয় বৰঞ্চ একীভূত বা সংহতিমূলক হিচাপেহে চিত্ৰিত কৰা উচিত। বিৰোধী অথবা অন্তৰ্দ্বন্দ্বপূৰ্ণ বাসনা বা উচ্চাকাংক্ষাৰ মাজত পৰি নিজক ছিন্ন কৰাটো উচিত নহয়। অহেতুক উত্তেজনা বা সিদ্ধান্তহীনতাৰ চিকাৰ হোৱাটোও উচিত নহয়। গতিকে মানসিক স্বাস্থ্যৰ এটা উল্লেখযোগ্য নীতি হ'ল নিজস্ব সংহতি স্থাপনৰ নীতি।

**(vi) আত্ম প্ৰেৰণা আৰু আকাৰ দিয়াৰ নীতি (Principles of Self-drive and Shaping):** এইটো একেবাৰেই ভুল বা মানসিক স্বাস্থ্যৰ নীতিৰ পৰিপন্থী যে এটা শিশুৱে আনৰ দ্বাৰা বা আনৰ হেঁচাত পৰি নিজৰ মনোকামনাক সম্পূৰ্ণৰূপে উপেক্ষা কৰি নিজক গঢ় দিবলৈ যত্নপৰ হ'ব। ঠিক সেইদৰে শিশুৱে তাৰ নিজৰ আদৰ্শ অথবা আকাংক্ষাৰ বিপৰীতে গৈ তাক পৰিচালনা কৰিবলৈ দিয়াটো ভুল। ব্যক্তিৰ আত্ম প্ৰেৰণা থাকিব লাগে যাতে তেওঁৰ নিজৰ ভাগ্য নিজে গঢ়িব পাৰে। এনে অৱস্থাইহে এক সন্তোষজনক মানসিক স্বাস্থ্যৰ দিশে শিশুটিক আগবঢ়াই নিব পাৰিব।

**(vii) আত্ম নিয়ন্ত্ৰণৰ নীতি (The Principles of self control):** ব্যক্তিক শৃংখলাবদ্ধ কৰাৰ বাবে বাহ্যিক নিয়ন্ত্ৰণৰ প্ৰয়োজন নাই। জোৰকৈ জাপি দিয়া অনুশাসনে ব্যক্তিৰ আচৰণক আক্ৰমণাত্মক কৰি তুলিব পাৰে। ব্যক্তিক নিজৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগৰ নিৰ্দেশনা দিয়াটোহে হ'ল মানসিক স্বাস্থ্য ৰক্ষাৰ সৰ্বোত্তম উপায়।

এই নীতিসমূহে প্ৰত্যেক ব্যক্তিকে সুস্থ মানসিক স্বাস্থ্যৰ অধিকাৰী কৰি গঢ়ি তোলাত সহায় কৰে।

**(খ) পৰিৱেশৰ লগত সমাযোজন নীতি (Principles seeking adjustment with environment) :**

ব্যক্তিয়ে নিজৰ লগত সামঞ্জস্যতা অনুসন্ধান কৰাৰ লগে লগে তেওঁ নিজৰ পৰিৱেশত মজুত থকা ব্যক্তিসকল, বস্তুগত উপাদান আৰু পৰিস্থিতিৰ লগত যুক্তিসংগত সমাযোজন কৰাটো প্ৰয়োজন। গতিকে ব্যক্তিৰ সুস্থ মানসিক স্বাস্থ্যৰ 'পৰিৱেশৰ লগত কৰা সমাযোজন' নীতিসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

**(i) আনক বুজি পোৱাৰ নীতি (The Principles of understanding others):** এজন ব্যক্তিয়ে কেৱল নিজক বুজিলেই নহ'ব তেওঁ আনকো সঠিকভাৱে বুজিব লাগিব। আনক বুজিব পাৰিলেহে

তেওঁলোকৰ সীমাবদ্ধতা আৰু শক্তি, প্ৰয়োজনীয়তা আৰু কামনা, আগ্ৰহ আৰু মনোভাব আৰু পছন্দ আৰু স্বভাব অনুসৰি আচৰণ প্ৰদৰ্শন কৰিব পাৰিব।

**(ii) আনৰ ব্যক্তিত্বক গ্ৰহণ আৰু সন্মান প্ৰদৰ্শনৰ নীতি (The Principles of accepting and respecting other's individualities):** প্ৰত্যেক ব্যক্তিয়ে নিজস্ব ব্যক্তিসত্তা, জীৱনৰ শৈলী আৰু ব্যক্তিত্বৰ নিজস্ব সংলক্ষণ থাকে। আমি যিদৰে আমাৰ সত্তাৰ সন্মান বিচাৰোঁ ঠিক সেইদৰে আনৰ সত্তা আৰু ব্যক্তিত্বক সন্মান কৰিবলৈ পাহৰিব নালাগিব। অপ্ৰয়োজনীয় সংঘাত, উত্তেজনা বা অন্তৰ্দ্বন্দ্ব আদিৰে আনৰ ব্যক্তিত্বক আমি আক্ৰমণ আৰু অসন্মান প্ৰদৰ্শন কৰিব পাৰোঁ। কিন্তু আমি সকলোকে তেওঁলোকৰ নিজস্ব শক্তি আৰু সীমাবদ্ধতা, ভাল আৰু বেয়া অভ্যাসৰ মাজেৰে গ্ৰহণ কৰি তেওঁলোকৰ লগত সমাযোজন কৰিবলৈ চেষ্টা কৰা উচিত।

**(iii) আত্ম সামাজিকীকৰণৰ নীতি (Principles of socialising one's self):** সামাজিক, সম্পৰ্ক, সমাযোজন আৰু অভিযোজন যিসকল ব্যক্তিৰ বেছিকৈ থাকে তেওঁলোকৰ মানসিক স্বাস্থ্য তুলনামূলকভাৱে অসামাজিক, অহংকেন্দ্ৰিক আৰু অকলশৰীয়া ব্যক্তিসকলতকৈ বেছি সুস্থ হয়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুস্থ মানসিক স্বাস্থ্য বিকাশৰ এটা উত্তম পথ হ'ল তেওঁলোকৰ সামাজিকীকৰণ।

**(iv) আৱশ্যকীয় প্ৰয়োজনৰ সন্তুষ্টিৰ নীতি (The Principles of adequate satisfaction of needs):** মানুহ হিচাপে আমাৰ অনেক জৈৱিক আৰু আৰ্থ-সামাজিক প্ৰয়োজনবোৰ শ্ৰেণীবদ্ধ কৰা হয়। অক্সিজেন, পানী আৰু আহাৰৰ দৰেই এই প্ৰয়োজনসমূহো প্ৰাথমিক আৰু মৌলিক। যিবোৰ আমি জীয়াই থাকিবলৈ অতিকৈ প্ৰয়োজন। যৌন সন্তুষ্টিক যিদৰে সামাজিক-মনস্তাত্বিক প্ৰয়োজন ঠিক সেইদৰে ব্যক্তিৰ বিকাশ আৰু সুখৰ বাবে মৰম, ভালপোৱা, স্বাধীনতা, স্বীকৃতি আদিৰো প্ৰয়োজন। এইটো সত্য যে, ব্যক্তিৰ মানসিক স্বাস্থ্য প্ৰয়োজনী সন্তুষ্টিৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে মানসিকভাৱে সুস্থ ব্যক্তি পাবলৈ হ'লে প্ৰয়োজনৰ সন্তুষ্টিৰ যত্ন ল'ব লাগিব।

**(v) আৱেগৰ প্ৰশিক্ষণমূলক নীতি (The principle of training emotions):** এজন ব্যক্তিৰ প্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত আৱেগিক শক্তি হ'ল এক প্ৰয়োজনীয় উপাদান। এই উপাদানটোত যদি স্বাভাৱিক প্ৰকাশ বাধাপ্ৰাপ্ত হয় বা নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় তেন্তে দুৰ্যোগৰ শংকা বৃদ্ধি পায়। এই শক্তিৰ দমনো বিপদজনক কাৰণ এই দমনে মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়ে সৰ্বোত্তম উপায় হ'ল ব্যক্তিৰ আৱেগক প্ৰকাশিত কৰি তুলিব লাগে যাতে আৱেগিক শক্তিক গঠনমূলক কামলৈ পৰিচালিত কৰিব পৰা যায়। এনে প্ৰশিক্ষণে উন্নীতকৰণ পৰ্যায়লৈ নিব পাৰে।

**(vi) কৰ্মৰ পৃথিৱীৰ লগত সমাযোজনৰ নীতি (The Principle of adjustment to the world of work):** সাধাৰণ মানসিক স্বাস্থ্য উপভোগ কৰিবলৈ হ'লে ব্যক্তিয়ে যুক্তিসংগতভাৱে কৰ্মৰ

পৃথিৱীখনৰ লগত সমাযোজিত আৰু সন্তুষ্ট হ'ব লাগিব। কৰ্ম বা বৃত্তিৰ লগত মিলিব নোৱাৰিলে বা অপসমাযোজন হ'লে ব্যক্তিয়ে বাস্তৱ জীৱন বা দৈনন্দিন জীৱনটো সমাযোজন কৰিব নোৱাৰিব। ফলস্বৰূপে তেনে ব্যক্তিৰ লগত মানসিক দুশ্চিন্তা আৰু সমস্যাই দেখা দিব। সেয়ে 'কৰ্মই ধৰ্ম' এই বাণী মনত ৰাখি ইতিবাচকভাৱে কৰ্মৰ পৃথিৱীখনৰ লগত মিলিবলৈ চেষ্টা কৰিলেহে সামাজিক, মানসিক স্বাস্থ্য অটুট থাকিব।

**(vii) জীৱনৰ প্ৰতি ইতিবাচক মনোভাৱৰ নীতি (The Principle of positive attitude towards life):** কোনো ব্যক্তিৰ জীৱনৰ প্ৰতি থকা মনোভাৱৰ ওপৰতো তেওঁৰ মানসিক স্বাস্থ্যৰ অৱস্থা নিৰ্ভৰ কৰে। বাস্তৱ জীৱনৰ মুখামুখি হোৱাৰ প্ৰয়োজনীয় শক্তি আৰু ধৈৰ্য্য জীৱনৰ প্ৰতি থকা ইতিবাচক আৰু আশাবাদী মনোভাৱৰ পৰা মানুহে লাভ কৰে। নেতিবাচক আৰু নিৰাশাবাদী মনোভাৱে ব্যক্তিক হীনমন্যতাৰ ভাৱ, শত্ৰুতা, হতাশা আৰু জীৱনৰ প্ৰতি মোহভংগ কৰি তোলে। গতিকে প্ৰতিটো পুৱাকে জীৱনৰ এটা নতুন দিন হিচাপে ব্যক্তিয়ে গ্ৰহণ কৰিব লাগে আৰু কালিৰ সমস্যাবোৰ মনৰ পৰা এৰাই চলিব পাৰিলে তেওঁৰ মানসিক স্বাস্থ্য সুস্থ হৈ পৰিব।

মুঠতে জীৱনৰ প্ৰতি থকা উদ্বিগ্নতা আঁতৰ কৰি ঈশ্বৰ আৰু প্ৰকৃতিৰ ওপৰত বিশ্বাস ৰাখি শাৰীৰিকভাৱে সুস্থ হ'বলৈ যত্ন কৰা প্ৰতিজন ব্যক্তিয়ে লাভ কৰিব পাৰে সুস্থ মানসিক স্বাস্থ্য। ওপৰত আলোচনা কৰা নীতিসমূহৰ পালনে আমাৰ দেহ-মন সুস্থ কৰি ৰখাত সহায় কৰে।

## মানসিক স্বাস্থ্যত প্ৰভাৱ বিস্তাৰ কৰা উপাদানসমূহ (Factors affecting Mental Health) :

শিশুৱে জন্মগতভাৱে লাভ কৰা শক্তি সামৰ্থ্যসমূহক উপযুক্ত ৰূপত বিকশিত কৰি কোনো সংঘৰ্ষ আৰু অপসংস্কৃতিৰ সৃষ্টি নকৰাকৈ এক সুস্থ আনন্দময় আৰু কাৰ্যকৰী জীৱনৰ বাবে ব্যক্তিক প্ৰস্তুত কৰি তোলাত মানসিক স্বাস্থ্যৰ গুৰুত্ব অপৰিসীম। মানসিক স্বাস্থ্যৰ ভাল আৰু বেয়া দুয়োটা দিশ থাকে। ভাল দিশটো হ'ল সুস্থ অৱস্থা আৰু বেয়া দিশটো হ'ল অসুস্থ অৱস্থা। শিশু এটা জন্মৰ পৰা আৰম্ভ কৰি পূৰ্ণাংগ কৰি বা ব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তোলাত বহুতো উপাদানে ক্ৰিয়া কৰে। সেইবোৰৰ কেইটামান হ'ল — ঘৰ, সমনীয়া দল, বিদ্যালয়, সমাজ, জনসংযোগ মাধ্যম ইত্যাদি। অৱশ্যে ব্যক্তিৰ মানসিক স্বাস্থ্যত প্ৰভাৱ বিস্তাৰ কৰা অসংখ্য উপাদানৰ মাজত প্ৰধান উপাদান হ'ল তিনিটা। সেই উপাদানসমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল—

**(ক) ঘৰ (Home) :**

মানৱ জীৱনৰ বিকাশৰ বিভিন্ন স্তৰ লক্ষ্য কৰিলে আমি স্পষ্ট হ'ব পাৰোঁ যে শৈশৰ কালছোৱা অতি দীঘল। এই দীঘল আৰু সম্ভাৱনাপূৰ্ণ কালছোৱা নিৰাপদে কটোৱাৰ বাবে শিশুৱে আশ্ৰয়ৰ স্থান হিচাপে লাভ কৰে ঘৰখন আৰু আন আন সমস্যাৰে পূৰ্ণ পৰিয়ালটো। ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে পৰিয়ালেই হ'ল সমাজৰ আটাইতকৈ প্ৰাচীন আৰু শক্তিশালী অনুষ্ঠান। জন্মৰ পৰা স্কুলীয়া জীৱন আৰম্ভ হোৱালৈকে বিকাশমান শিশু এটাৰ বাবে ঘৰখনেই হৈছে সামাজীকিকৰণৰ প্ৰথম আৰু প্ৰধান স্থলী। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত ঘৰ বা পৰিয়ালে যি ভূমিকা গ্ৰহণ কৰে আৰু শিশুক যেনেদৰে গঢ় দিয়ে বোধকৰোঁ সকলোবিলাক সামাজিক অনুষ্ঠান একত্ৰিত কৰিলেও এই ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰিবলৈ অপাৰগ হ'ব। শিশুৰ প্ৰাথমিক আৰু মৌলিক আচৰণৰ আৰম্ভণি কেন্দ্ৰ হ'ল ঘৰখন। ৰোজেন ক্ৰেগ (Rosen Crag) নামৰ এজন পণ্ডিতে কৈছে যে, "গৃহই হ'ল শিক্ষাৰ প্ৰকৃত আৰম্ভণি বিন্দু" (Home is the original starting point of education)। শিশুৰ সৰ্বতো প্ৰকাৰৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সামাজিক পৰিৱেশৰ ভিতৰত সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য হ'ল ঘৰখন আৰু পৰিয়াল, কিয়নো সামাজিক দৃষ্টিভংগী, সামাজিক অভিযোজন, কৌশল আৰু বুনিয়াদ ঘৰখনতেই ৰচিত হয়। শিশুৰ জীৱনৰ মূল্যবোধ যেনে — নিৰ্ভৰশীলতা, স্বাধীনতা, বশ্যতাকৰণ, সহযোগিতা, প্ৰতিযোগিতা, ৰক্ষণশীলতা-স্বাধীনতা, নিৰাপত্তা, ভাতৃত্ববোধ, সমাযোজন, ন্যায়পৰায়ণতা, সহানুভূতি, মৰম-স্নেহ, সত্যবাদিতা, শৃংখলাবদ্ধতা আদিৰ বিকাশ ঘৰখনতেই হয় যিয়ে শিশুৰ ব্যক্তিত্ব বিকাশত সুস্থ প্ৰভাৱ পেলায়। মনোবৈজ্ঞানিক দৃষ্টিভংগীত শিশুৰ অতীব প্ৰয়োজনীয় ভালপোৱা আৰু ভাললগাৰ মনোভাৱ মাক-দেউতাক আৰু শিশুৰ সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধতেই গঢ় লৈ উঠে। শিশুৰ ওপৰত ঘৰখনৰ প্ৰভাৱৰ ওপৰত দৃষ্টি ৰাখিয়েই মনঃসমীক্ষণকাৰী চিগমণ্ড ফ্ৰয়দে ঘৰখনৰ পৰিৱেশ আৰু আচৰণৰ দ্বাৰা শিশুৰ জীৱনত পৰা প্ৰভাৱে ভৱিষ্যৎ বয়স্ক জীৱনত পেলাব পৰা প্ৰভাৱক বিজ্ঞানসন্মতভাৱে পৰ্যালোচনা কৰিছে। এই ঘৰখনতেই সৃষ্টি হয় শিশুৰ মানসিক সংঘাত অথবা অন্তৰ্দ্বন্দ, যি মানসিক স্বাস্থ্যৰ লগত জড়িত।

ঘৰখন হ'ল সমাজৰ এক ক্ষুদ্ৰতম আহিলা। সমাজৰ নিয়ম-শৃংখলা, আচাৰ-ব্যৱহাৰ, সামাজিক বিচাৰ, নৈতিকতা, ধৰ্ম আদি দিশবোৰৰ প্ৰভাৱ ঘৰখনৰ পৰাই শিশুৱে আহৰণ কৰে। শিশুৰ ক্ষেত্ৰত পিতৃ-মাতৃয়ে দায়িত্ব আটাইতকৈ বেছিকৈ বহন কৰে যদিও পৰিয়ালৰ আন আন সদস্য যেনে — ভাতৃ-ভগ্নী, আত্মীয়-স্বজনৰ কাৰ্যকলাপ, চিন্তাধাৰা, আদৰ্শ আদিয়ে শিশুৰ ব্যক্তিত্বৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। শিশুৰ বাবে তেওঁলোকেই হ'ল আদৰ্শ। সেই আদৰ্শ অনুকৰণ কৰি শিশুৱে তাৰ সৈতে নিজক মিলাই ল'বলৈ যত্নপৰ হয়। অগবাৰ্ণ আৰু বীকাৰ (Ogburn & Beeker) নামৰ দুজন

সমাজতাত্ত্বিকে শিশুৰ বিকাশত পৰিয়ালে গ্ৰহণ কৰিবলগীয়া কেইটামান দিশৰ কথা উল্লেখ কৰিছে। যিকেইটা মানসিক স্বাস্থ্য গঠনতো প্ৰয়োজন। সেইকেইটা হ'ল —

১। মৰম-চেনেহ সহানুভূতিৰে শিশুক ডাঙৰ-দীঘল কৰা।

২। অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰা।

৩। পৰোক্ষ আৰু প্ৰত্যক্ষ শিক্ষা দিয়া।

৪। সামাজিকীকৰণ কৰা।

৫। নিৰাপত্তা দিয়া।

৬। অৱসৰৰ সময়ত আনন্দ-বিনোদনৰ সুবিধা দিয়া।

৭। ধৰ্ম আৰু নীতিশিক্ষা দিয়া আদি।

শিশুৰ সহজাত প্ৰবৃত্তি যাতে ক্ষুণ্ণ নহয় তাৰ বাবে দৃষ্টি ৰখাটো অতি প্ৰয়োজনীয়। শিশুৰ আকাংক্ষিত প্ৰবৃত্তি জাগৰণত বাধা পালে শিশুৰ মাজত হীনমন্যতা বোধৰ সৃষ্টি হয়। সেয়েহে শিশুসকলক লালিত-পালিত কৰাত পৰিয়ালৰ বিভিন্ন লোকে শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক আৰু সামাজিক দিশসমূহৰ সাৱলীল বিকাশৰ ওপৰত গুৰুত্ব দিয়াটো উচিত।

বিদ্যালয়লৈ যোৱাৰ আগলৈকে শিশুৱে ঘৰৰ পৰিয়ালৰ মাজত থাকি বা খেলৰ লগৰীয়াৰ লগত থাকি নিৰাপত্তা অনুভৱ কৰে। খেল হৈছে শিশুৰ জন্মজ প্ৰবৃত্তি। শিশুকালত ইয়াৰ প্ৰৱণতা অতি বেছি। বহু মনোবিজ্ঞানীয়ে মত পোষণ কৰে যে, শিশুৱে খেলাৰ মাজেৰেই ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰে। সেয়েহে পৰিয়ালৰ সদস্যসকলে শিশুৰ খেলাৰ যি ইচ্ছা তাক সুচাৰুৰূপে পৰিচালিত কৰি তেওঁলোকক শাৰীৰিক সমৰ্থতা আৰু আৱেগিক স্থিৰতা, মানসিক সুস্থিৰতা লাভ কৰাত সহায় কৰিব লাগে আৰু সুস্থ ব্যক্তিত্ব গঢ় দিয়াত সহায় কৰিব লাগে।

মুঠতে শিশুৰ গঠনাত্মক আৰু সৃজনাত্মক দিশৰ বিকাশ সাধন কৰি আৱেগ, অনুভূতি, চিন্তা, আচৰণ আদি কলাত্মক চেতনাসমৃদ্ধ এক সুৰুচিপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী কৰি গঢ়ি তোলাৰ দায়িত্ব ঘৰখনৰ। ঘৰখনে যদি শিশুক কঠোৰ অনুশাসনৰ পৰিৱৰ্তে আত্ম অনুশাসিত হ'বলৈ শিকায় তেতিয়াহ'লে শিশুৰ মনত সুস্থ আৱেগিকতাই গঢ় লৈ উঠিব , যিয়ে তেওঁলোকক ভৱিষ্যতে এক সুস্থ মানসিক স্বাস্থ্যসন্মত ব্যক্তি হিচাপে পৰিগণিত কৰাত অৰিহণা আগবঢ়াব। ঘৰৰ সদস্য সকলৰ মাজতহে সুস্থ ভাৱ-অনুভূতি আৰু আৱেগৰ আদান-প্ৰদানৰ মাজেৰে শিশুৱে উন্নত ভাষা আয়ত্ত কৰিব পাৰে। ঘৰখনৰ সুৰুচিপূৰ্ণ সাংস্কৃতিক পৰিৱেশে শিশুৰ আচৰণক সমাজৰ গ্ৰহণযোগ্য ৰূপত গঢ়ি তোলে। শিশুৰ মানসিক স্বাস্থ্যৰ বিকাশত ঘৰে আগবঢ়োৱা অৱদানসমূহ হ'ল —

(১) ঘৰখনৰ সদস্য হিচাপে নিৰাপত্তাৰ অনুভূতি জাগ্ৰতকৰণ।

(২) ঘৰখনৰ সদস্য হিচাপে শিশুৰ শাৰীৰিক আৰু মনোবৈজ্ঞানিক প্ৰয়োজনীয়তা সমূহ পূৰণত

বিশ্বাস প্ৰদান।

(৩) সামাজিক জীৱ হিচাপে সমাজৰ মাজত থাকি গ্ৰহণযোগ্য আচৰণৰ ভেটি সুদৃঢ়কৰণ।

(৪) সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণৰ বিকাশৰ ক্ষেত্ৰত নিৰ্দেশনা প্ৰদান।

(৫) জীৱনত সমাযোজন কৰিব পৰাৰ সামৰ্থ্য প্ৰদান।

(৬) দৈহিক, মানসিক, আৱেগিক সমস্যা সমাধানৰ ভেটি মজবুতকৰণ।

(৭) সামাজিক জীৱনত কৃতকাৰ্যতা লাভ কৰাৰ সামৰ্থ্য আহৰণৰ বাবে সমৰ্থবান কৰি তোলা।

(৮) বিভিন্ন ধৰণৰ কৌশল আয়ত্তকৰণত সহায় কৰা।

(৯) শিশুৰ নিজৰ সামৰ্থ্য আৰু অভিৰুচি অনুসৰি আকাংক্ষাৰ ভেটি সুদৃঢ় কৰা।

(১০) মৰম, ভালপোৱা ধাৰণাৰে উদ্বুদ্ধ কৰাৰ উৎস হ'ল ঘৰখন। এই গুণেৰে শিশুৱে সামাজিক জীৱনত সমতা ৰক্ষা কৰি মানসিক স্বাস্থ্য সুস্থভাৱে গঢ় দিয়াত সফল হ'ব পাৰে।

মুঠতে ঘৰখনৰ সদস্যসকলৰ মানসিক দিশত এক নক্সা শিশুৱে নিজৰ মাজতে আঁকে। অভিভাৱকৰ নৈতিকতাপূৰ্ণ মৰমেহে শিশুৰ মানসিক উৎকৰ্ষ সাধনত সহায় কৰে। ঘৰখনৰ সদস্যসকলৰ স্বেচ্ছাচাৰী মানসিকতা বা আচৰণে শিশুৰ মানসিক স্বাস্থ্য বিপন্ন কৰে। শিশুৰ আকাংক্ষা, প্ৰবৃত্তি আদি বাধাপ্ৰাপ্ত হ'লে শিশুৰ মনত হীনমন্যতাবোধে ক্ৰিয়া কৰাৰ আশংকা বেছি। সেয়ে ঘৰখনত শিশুৰ প্ৰতি শাস্তিমূলক অনুশাসন পৰিহাৰ কৰি এক সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ দিবলৈ ঘৰখনৰ প্ৰতিজন সদস্যই যত্নপৰ হোৱাটো উচিত। অহংকেন্দ্ৰিকতাৰ বিপৰীতে আত্ম নিৰ্ভৰশীল, নিয়মানুৱৰ্তিতা আদি মানসিক বিকাশৰ উপযোগী বাতাবৰণ ঘৰখনত সৃষ্টি কৰিব লাগে। মুঠতে শিশুৰ সাৱলীল বিকাশত অনাৱশ্যক বাধাৰ সৃষ্টি নকৰি শাৰীৰিক আৰু মানসিক স্বাস্থ্য সুচাৰুৰূপে বিকশিত হোৱা দিশবোৰৰ ওপৰত ঘৰতখনত গুৰুত্ব দিয়াটো উচিত।

### (খ) বিদ্যালয় (School) :

শিশু জীৱনৰ বিকাশৰ সকলোতকৈ সম্ভাৱনাপূৰ্ণ দীৰ্ঘ সময়ছোৱা হৈছে বিদ্যালয়ৰ সময়ছোৱা। ঘৰখন, পৰিয়ালটো হ'ল শিশু জীৱনৰ সৰ্বপ্ৰথম সামাজিক অনুষ্ঠান, য'ত শিশুৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বীজ অংকুৰিত হয় আৰু সেই বীজটোক পূৰ্ণতা প্ৰদান কৰে বিদ্যালয়ে। বিদ্যালয় হ'ল সমাজৰ ক্ষুদ্ৰতম সংস্কৰণ। জাতি, ধৰ্ম, বৰ্ণ বিভিন্ন মানসিক সামৰ্থ্যৰ ল'ৰা-ছোৱালীৰ লগত ইজনে-সিজনৰ সৈতে খেলিবলৈ, ভাব বিনিময় কৰিবলৈ সুবিধা পায় বিদ্যালয়ত আৰু পাঠ্যক্ৰমৰ বহল পৰিসৰত শিশুৱে নানা ধৰণৰ অভিজ্ঞতাৰে আগবাঢ়ি যোৱাৰ সুবিধা লাভ কৰে য'ত সমাজৰ আৰু ব্যক্তিগত আশা, আকাংক্ষা, আদৰ্শ, সংস্কৃতি প্ৰতিফলিত হয়। বিদ্যালয়ৰ পৰা লাভ কৰা শিক্ষাৰ নীতি-নিয়ম আৰু কাৰ্যসূচীয়ে শিশুক ভৱিষ্যতে সৎ, সংযমী, পৰিশ্ৰমী, নিয়মানুৱৰ্তী আৰু শৃংখলাবদ্ধ কৰি গঢ়ি তোলে।

বিদ্যালয়ে শিশুক সমাজৰ সংস্কৃতিৰ উৎকৃষ্ট উপাদানসমূহৰ সংৰক্ষণ আৰু বিকাশ সাধনত সহায় কৰে। বিভিন্ন পৰিৱেশৰ লগত খাপ খুৱাই বিদ্যালয়ে এক পৰিপূৰ্ণ আৰু সুখী জীৱন যাপনৰ বাবে শিশুক প্ৰস্তুত কৰে যি সুস্থ মানসিক স্বাস্থ্যৰ বাবে অতিকৈ প্ৰয়োজন।

ভৱিষ্যতে দায়িত্বপূৰ্ণ জীৱনক্ষেত্ৰত প্ৰৱেশ কৰাৰ আগতে শিশুৰ সেই গুৰুত্বপূৰ্ণ জীৱন সংগ্ৰামৰ বাবে প্ৰয়োজনীয় জ্ঞান আৰু ৰীতি-নীতি ইত্যাদিক দীক্ষিত কৰি উপযুক্তভাৱে প্ৰস্তুত কৰিব পাৰে একমাত্ৰ বিদ্যালয়ে। শিশুৰ ব্যক্তিসত্তাৰ সমস্ত দিশৰ বাঞ্ছিত বিকাশ সাধন কৰি এখন সুস্থ সমাজ গঢ়ি তোলাটো বিদ্যালয়ৰ প্ৰধান উদ্দেশ্য।

প্লে স্কুল, নাৰ্চাৰী বিদ্যালয়, শিশু বিদ্যালয় আদিত সাধাৰণতে আঢ়ৈ বছৰৰ পৰা পাঁচ বছৰ বয়সৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়ে। এই স্তৰত খেলা-ধূলা, গান-বাজনা, নৃত্য-গীত, অভিনয় ইত্যাদি নানা ধৰণৰ আনন্দময় কাৰ্যসূচীৰ যোগেদি কণ কণ শিশুক প্ৰয়োজনীয় শিক্ষা দিবলৈ, সুস্বাস্থ্যৰ অভ্যাস গঠন, সামাজিক মনোভাৱ আৰু আচৰণ গঠন, নিজৰ ভাৱ-অনুভূতিৰ সুস্পষ্ট প্ৰকাশৰ সুবিধা দান, নিজৰ পৰিৱেশৰ সৈতে সংগতিবিধান, পৰিষ্কাৰ পৰিচ্ছন্নতা, সহযোগিতা, বন্ধুত্ব ইত্যাদি নানা গুণৰ বিকাশ সাধন কৰি অপৰিণত শিশুটোক ভৱিষ্যৎ জীৱনৰ বাবে সাজু কৰি তোলা হয়। ইয়াৰ পাছত শিশুক প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰা হয় আৰু আনুষ্ঠানিক শিক্ষাৰ গতি আৰম্ভ হয়। এই সময়ছোৱাত শিশুৱে লিখা-পঢ়া আৰম্ভ কৰাৰ লগতে কৰ্মকুশলতা, দায়িত্ববোধ, সহযোগিতা, নিয়মানুবৰ্তিতা, স্বাৱলম্বিতা, শৃংখলাবদ্ধতা, ভাতৃত্ববোধ আদি গুণবোৰ শিশুটোৰ মাজত বিকশিত হ'বলৈ ধৰে। সামাজিক ৰীতি-নীতি বাধা নিষেধৰ অধীনস্থ কৰি শিশুৰ মাজত সামাজিক আৰু নৈতিক মূল্যবোধৰ বিকাশ ঘটায় আৰু এই প্ৰমূল্যসমূহ কামত লগাবৰ বাবে বিদ্যালয়ে শিশুক প্ৰস্তুত কৰে। শিশুৰ ব্যক্তিত্বৰ সু-সামঞ্জস্যপূৰ্ণ বিকাশ ঘটোৱা আৰু বিভিন্ন অভিজ্ঞতা প্ৰদানৰ যোগেদি সামাজিক দায়বদ্ধতা সম্পৰ্কে সচেতন কৰি তোলাটো বিদ্যালয়ৰ কৰ্তব্য। ইয়াৰ উপৰিও সামাজিক জীৱ হিচাপে সমাজত প্ৰয়োজনীয় বিভিন্ন গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ যোগ্যতা অৰ্জনৰ শিক্ষাও শিশুৱে বিদ্যালয়ৰ পৰাই গ্ৰহণ কৰে। বাস্তৱ জীৱনৰ সমস্যা-সমাধান আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নতকৰণৰ উপযোগী নতুন জ্ঞান কৌশল, মনোভাৱ আৰু মূল্যবোধ আদিও যাতে শিশুৱে আহৰণ কৰিব পাৰে তাৰ ব্যৱস্থাকৰণো বিদ্যালয়ৰ কৰ্তব্যৰ অন্তৰ্গত। শিশুৰ সৃষ্টি প্ৰতিভা আৰু সম্ভাৱনীয়তাসমূহৰ চিনাক্তকৰণ কৰি সেইসমূহৰ উপযুক্ত প্ৰকাশ আৰু বিকাশৰ গধূৰ দায়িত্ব হ'ল বিদ্যালয়ৰ। শিশুৰ সুস্থ মানসিক স্বাস্থ্য বিকাশৰ ক্ষেত্ৰত বিদ্যালয়ে গ্ৰহণ কৰিবলগীয়া দায়িত্ববোৰ হ'ল —

(১) বিভিন্ন বিষয়ত সঞ্চিত সংস্কৃতি আৰু জ্ঞান সংৰক্ষণ আৰু হস্তান্তৰকৰণ কৰা।

(২) সমাজৰ উন্নতিৰ সঞ্চিত জ্ঞানৰাজি আৰু সংস্কৃতিৰ উন্নতি সাধন।

(৩) সৃজনী শক্তিৰ বিকাশৰ সুবিধা প্ৰদান।

(৪) দুর্নীতি, কুসংস্কাৰ, অন্ধবিশ্বাস আৰু অজ্ঞতাৰ বিৰুদ্ধে যুঁজিবলৈ মানসিকভাৱে প্ৰস্তুতকৰণ।

(৫) ব্যক্তিত্বৰ সু-সামঞ্জস্য বিকাশ সাধন।

(৬) বিদ্যালয়ৰ মাজতে ব্যক্তিৰ বিভিন্নতা স্বীকাৰ কৰি প্ৰত্যেক ব্যক্তিৰ শক্তি, আগ্ৰহ আৰু সামৰ্থ্যৰ সু-বিকাশৰ ব্যৱস্থাকৰণ।

(৭) কৰ্মৰ স্পৃহা জাগ্ৰতকৰণ।

(৮) শাৰীৰিক শিক্ষা প্ৰদানৰ দ্বাৰা সু-স্বাস্থ্য আৰু সুস্থ মনৰ অধিকাৰী হিচাপে গঢ়ি তোলা।

(৯) গণতান্ত্ৰিক ভাৱধাৰাৰে উদ্বুদ্ধকৰণ।

(১০) উপযুক্ত মূল্যবোধ, মনোভাব, অভ্যাস আৰু ভাল আচৰণ গঠনৰ বাবে নৈতিক শিক্ষা প্ৰদান।

মুঠতে শিশুৰ জীৱনত বিদ্যালয়ৰ প্ৰভাৱ যথেষ্ট গভীৰ, কিয়নো শিশুক সামাজিকীকৰণ কৰি তোলা, মূল্যবোধসম্পন্ন ব্যক্তি হিচাপে গঢ়ি তোলা, চৰিত্ৰ-গঠন, আশা-আকাংক্ষাক উচিত ৰূপত আগবঢ়াই নিয়া আদিবোৰ বিদ্যালয়ত সম্ভৱ হয়, যিয়ে প্ৰতিজন শিশুৰ মানসিক স্বাস্থ্য সুস্থ ৰূপত গঢ়ি তোলে। শিশুৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক, নৈতিক, সামাজিক আচৰণ, অভ্যাস, মনোভাৱ, অভিৰুচি আদি বিভিন্ন দিশৰ উন্নতি সাধন কৰি শিক্ষাৰ্থীৰ ব্যক্তিত্ব বিকাশত বিদ্যালয়ে অৰিহণা যোগায়। বিদ্যালয় হ'ল সামাজিকীকৰণৰ এক কাৰ্যকৰী মাধ্যম যিয়ে শিশুৰ সামাজিক, মানসিক আৰু আৱেগিক বিকাশত সহায় কৰে।

**এখন ভাল বিদ্যালয়ৰ পৰিৱেশৰ বৈশিষ্ট্য (Characteristics of a good school environment):**

(১) বিদ্যালয়ৰ পৰিৱেশটো স্বাস্থ্যসন্মত, ওখ আৰু ৰ'দ পৰা ঠাই হ'ব লাগে।

(২) বিদ্যালয়ৰ পৰিৱেশটো গছ-গছনিৰে পূৰ্ণ হ'ব লাগে। প্ৰাকৃতিক পৰিৱেশ শান্ত-সৌম্য আৰু শিশুৰ বিকাশৰ বাবে উপযোগী হ'ব লাগে।

(৩) হুলস্থূলীয়া ঠাইৰ পৰা আঁতৰত অৱস্থিত এখন বিদ্যালয়ৰ পৰিৱেশে শিশুৰ সৰ্বতোপ্ৰকাৰৰ বিকাশত সহায় কৰে।

(৪) বিদ্যালয় গৃহটো ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ, দেহ-মানসিক স্বাস্থ্যৰ নিৰাপত্তা প্ৰদান কৰিব পৰা ধৰণৰ হ'ব লাগে।

(৫) শ্ৰেণীকোঠাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে অসুবিধা নোপোৱাকৈ নিজৰ প্ৰয়োজন অনুসৰি সঠিকভাৱে যাতে জ্ঞান অৰ্জন কৰিব পাৰে তাৰ সকলোখিনি সুবিধা থাকিব লাগে। শিক্ষাদান আৰু শিক্ষাগ্ৰহণ এই দুই প্ৰক্ৰিয়াৰ সফলতা আনি দিব পাৰে বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ পৰিৱেশে। এই ক্ষেত্ৰত কোঠাৰী আয়োগে মত পোষণ কৰে যে, 'এটা জাতি বা এখন দেশৰ ভাগ্য স্কুলৰ শ্ৰেণীকোঠাসমূহত গঢ় লয়।' (The destiny is being shaped in the classroom)।